# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-10-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

**- - - - - - - - - - - - -**

১।	দেশৰ যুৱ-প্ৰজন্মক কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদান কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি ৰোজগাৰ মেলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ। গুৱাহাটীৰ ৰোজগাৰ মেলাত সৰ্বানন্দ সোণোৱালৰ নিযুক্তি পত্ৰ বিতৰণ।

২।	নতুন দিল্লীৰ এইমছত প্ৰধানমন্ত্ৰী মোদীৰ ভাৰ্চুৱেল ব্যৱস্থাৰে ১২ হাজাৰ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন। চাংসাৰিৰ এইমছত অনুষ্ঠিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

৩।	ৰাজ্যিক নিৰ্বাচন আয়োগৰ ২০২৫ বৰ্ষৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ।

৪।	চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি দেশজুৰি আজি একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ।

**আৰু**

৫।	আহমেদাবাদত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰতক জয়ৰ বাবে নিউজিলেণ্ডৰ ২৩৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত ভাৰ্চুৱেল ব্যৱস্থাৰে নিযুক্তি পত্ৰ বিতৰণ কৰে। এই উপলক্ষে গুৱাহাটী সহ দেশৰ ৪০ টা স্থানত আয়োজন কৰা ৰোজগাৰ মেলাক ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে যুৱক-যুৱতীসকলক স্থায়ী চৰকাৰী চাকৰি প্ৰদানৰ প্ৰচেষ্টা অব্যাহত আছে। তেওঁ কয় যে দেশৰ যুৱ-প্ৰজন্মক কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদান কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগ আৰু মন্ত্ৰালয়ত নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলক কৰ্মযোগী প্ৰাৰম্ভৰ মাধ্যমেৰে বুনিয়াদী প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। iGOT কৰ্মযোগী প'ৰ্টেলত এই অনলাইন মডিউল আৰু এহেজাৰ ৪০০ ৰো অধিক ই-শিক্ষণ পাঠ্যক্ৰম উপলব্ধ হব। এই পাঠ্যক্ৰমসমূহে নৱ-নিযুক্ত প্ৰাৰ্থীসকলক বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত ফলপ্ৰসু সেৱা আগবঢ়াব পৰাকৈ দক্ষ কৰি তুলিব।

উল্লেখযোগ্য যে দেশৰ ৪০টা স্থানত আজি এই ৰোজগাৰ মেলাৰ আয়োজন কৰা হয়। ইয়াৰ জৰিয়তে দেশৰ নিবনুৱা সমস্যা দূৰীকৰণৰ ক্ষেত্ৰত সহায় হব বুলি আশা কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰেক্ষাগৃহত আয়োজিত ৰোজগাৰ মেলাত উপস্থিত থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত ১০ বছৰে যুৱ প্ৰজন্মৰ সৱলীকৰণৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। যুৱ প্ৰজন্মৰ উন্নয়নত প্ৰধানমন্ত্ৰী মোদীয়ে গুৰুত্ব দিয়াৰ ফলত এখন বিকশিত ভাৰত গঢ়াৰ লক্ষ্যত যুৱচামে শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছে বুলি তেওঁ কয়।

**বাইট** (সৰ্বানন্দ সোণোৱাল)

উল্লেখযোগ্য যে এই ৰোজগাৰ মেলাৰ জৰিয়তে উত্তৰ-পূৰ্বৰ ১৪৪ গৰাকী যুৱক-যুৱতীক নিযুক্তি পত্ৰ বিতৰণ কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিভিন্ন বিভাগ আৰু মন্ত্ৰ্যালয়ত নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলে কৰ্মযোগী প্ৰাৰম্ভৰ মাধ্যমেৰে বুনিয়াদী প্ৰশিক্ষণ প্ৰদান কৰা হ'ব iGOT কৰ্মযোগী প'ৰ্টেলত এই অনলাইন মডিউল আৰু এহেজাৰ ৪০০ৰো অধিক ই-শিক্ষণ পাঠ্যক্ৰম উপলব্ধ। এই পাঠ্যক্ৰমসমূহে নৱনিযুক্ত প্ৰাৰ্থীসকলক বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত ফলপ্ৰসূ সেৱা আগবঢ়াব পৰাকৈ আৱশ্যকীয় দক্ষতাৰে সু-সজ্জিত কৰি তুলিব।

ooooo

দেশৰ স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাটো কেন্দ্ৰীয় চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰৰ বিষয় আৰু নাগৰিক সুস্থ হ'লেহে দেশৰ প্ৰগতি ত্বৰান্বিত হয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ কয় যে এই দৃষ্টিভংগীৰে চৰকাৰে নাগৰিকৰ কল্যাণক অগ্ৰাধিকাৰ দি স্বাস্থ্য নীতিৰ পাঁচটা মূল স্তম্ভ প্ৰতিষ্ঠা কৰিছে। এই স্তম্ভকেইটা হৈছে প্ৰতিৰোধমূলক স্বাস্থ্য সেৱা, সময়মতে ৰোগ চিনাক্তকৰণ, সুলভ মূল্যৰ ঔষধ আৰু চিকিৎসা, সৰু চহৰ আৰু গাঁও অঞ্চলত উপযুক্ত স্বাস্থ্য সেৱা তথা স্বাস্থ্য সেৱা খণ্ডত প্ৰযুক্তিৰ প্ৰসাৰ বৃদ্ধি কৰা। আজি ধনন্তৰী জয়ন্তী আৰু নৱম আয়ুৰ্বেদ দিৱস উপলক্ষে নতুন দিল্লীত আয়োজিত অনুষ্ঠানত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে আজি এই উপলক্ষে স্বাস্থ্য সেৱা খণ্ডৰ সৈতে জড়িত ১২ হাজাৰ ৮৫০ কোটি টকাৰ একাধিক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ভাৰতে স্বাস্থ্য খণ্ডত সৰ্বাত্মক ৰূপত বিবেচনা কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে আজি শুভাৰম্ভ কৰা প্ৰকল্পসমূহে স্বাস্থ্য সেৱাৰ মূল পাঁচটা স্তম্ভত উল্লেখযোগ্য সংযোজন ঘটাইছে। প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ দৰিদ্ৰ লোকসকলে সন্মুখীন হোৱা সমস্যাৰ ওৰ পেলাবলৈ কেন্দ্ৰীয় চৰকাৰে আয়ুস্মান ভাৰত যোজনা প্ৰৱৰ্তন কৰি তেনে লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ বাবে ৫ লাখ টকা পৰ্যন্ত ব্যয় বহন কৰি আছে। তেওঁ আয়ুস্মান ভাৰত যোজনাৰ সম্প্ৰসাৰণক লৈ সন্তুষ্টি প্ৰকাশ কৰি কয় যে দেশৰ প্ৰতিগৰাকী জ্যেষ্ঠ নাগৰিকে আশা কৰি থকা ধৰণেই চৰকাৰে লোৱা পদক্ষেপৰ ফলত ৭০ বছৰ উৰ্ধৰ নাগৰিকসকলে আয়ুস্মান ভায়া বন্দনা কাৰ্ডৰ জৰিয়তে চিকিৎসালয়ত বিনামূলীয়া চিকিৎসা লাভ কৰিব। দেশত চিকিৎসা ব্যয় হ্ৰাস কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে সমগ্ৰ দেশত ১৪ হাজাৰ প্ৰধানমন্ত্ৰী জনঔষধি কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু এই কেন্দ্ৰসমূহত ৮০ শতাংশ ৰেহাই মূল্যত ঔষধ উপলব্ধ হয়। তেওঁ কয় যে সময়মতে ৰোগ চিনাক্তকৰণ আৰু চিকিৎসাত সহায় হোৱাকৈ দেশজুৰি ২ লাখৰো অধিক আয়ুস্মান আৰোগ্য মন্দিৰ প্ৰতিষ্ঠা কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে আমাৰ পৰম্পৰাগত বনৌষধিসমূহক গভীৰভাৱে প্ৰভাৱান্বিত কৰিব পৰা বৈজ্ঞানিক অধ্যয়নৰ দ্বাৰা গ্ৰহণযোগ্য কৰি তোলাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে স্বাস্থ্য খণ্ডৰ লগতে অ,ৰ্থনৈতিক ক্ষেত্ৰৰ ৰূপান্তৰ সাধন কৰা আয়ুশ্বৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি কয় যে আয়ুশ্ব উৎপাদন খণ্ডই ২০১৪ চনত ৩ বিলিয়ন ডলাৰৰ পৰা ২৪ বিলিয়ন ডলাৰলৈ বিকাশ লাভ কৰিছে। দেশত সম্প্ৰতি ৯ শতাধিক ষ্টাৰ্টআপ কাৰ্যক্ষম হৈ আছে বুলি উল্লেখ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানত আয়োজিত বিশেষ অনুষ্ঠানৰ জৰিয়তে দেশৰ স্বাস্থ্যখণ্ডৰ সেৱাসমূহৰ উন্নীতকৰণৰ উদ্দেশ্যে ভাৰ্চুৱেল ব্যৱস্থাৰে ১২ হাজাৰ ৮৫০ কোটি টকাতকৈ অধিক ব্যয় সাপেক্ষ স্বাস্থ্য খণ্ড প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে এইমছৰ চাংসাৰিস্থিত চৌহদত আয়োজিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে ভালেকেইগৰাকী সাংসদ আৰু বিধায়কে এই কাৰ্যসূচীত অংশ লয়। এই অনুষ্ঠানযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে দেশৰ স্বাস্থ্য আৰু সম্পদৰ দিশত তেওঁ দৃষ্টিভংগীৰ বিষয়ে দেশবাসীক অৱগত কৰে। অনুষ্ঠানত দেশৰ আন প্ৰান্তৰ লগতে এইমছ গুৱাহাটীত ৰেডিঅ' থেৰাপি ব্লক, এম আৰ আই থ্ৰী-টি, ডেক্সা স্কেন, প্ৰেক্ষাগৃহ, বাই-প্লেন আৰু নিশাৰ আশ্ৰয়ৰ সুবিধাসমূহ উদ্বোধন কৰা হয়।

**বাইট (চি এম)**

অনুষ্ঠানটোত আয়ুষ মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, ফাৰ্মাচিউটিকেল বিভাগ আৰু কৰ্মচাৰী ৰাজ্যিক বীমা নিগমৰ বিভিন্ন প্ৰকল্পৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। একেটা অনুষ্ঠানতে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ সম্প্ৰসাৰিত সংস্কৰণ মুকলি কৰাৰ লগতে ইউ-ৱিন প'ৰ্টেল উদ্বোধন কৰা হয়।

০০০০০

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি দেশজুৰি আজি একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ নেচনেল ষ্টেডিয়ামৰ পৰা পতাকা জোকাৰি একতাৰ দৌৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। চৰ্দাৰ বল্লভ ভাই পেটেলৰ অৱদানৰ কথা স্মৰণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, একতাৰ দৌৰ দেশৰ একতাৰ হকে লোৱা মাত্ৰ এটা সংকল্পই নহয়, বৰং এই দৌৰ সম্প্ৰতি বিকশিত ভাৰতৰ সংকল্পৰূপে পৰিগণিত হৈছে। পেটেলে দেশীয় ৰাজ্যসমূহক একত্ৰিত কৰি এখন ঐক্যবদ্ধ দেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল বুলি শ্ৰী শ্বাহে কয়।

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সহযোগত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচীৰ অনুষ্ঠিত কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। পেটেলৰ মহান আদৰ্শ সৰোগত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক ভাৰত-শ্ৰেষ্ঠ ভাৰতৰ মূলমন্ত্ৰৰে দেশৰ প্ৰগতিৰ যাত্ৰাক আগুৱাই নিছে বুলি তেওঁ কয়।

**লখিমপুৰত** জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত একতাৰ দৌৰ কাৰ্যসূচীত জিলা আয়ুক্তকে ধৰি চৰকাৰী কৰ্মচাৰী, বিভিন্ন সংগঠনৰ বিষয়ববীয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

একেদৰে **চৰাইদেউৰ** জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আৱৰ্ত ভৱনলৈ একতাৰ দৌৰৰ আয়োজন কৰা হয়। **নগাঁৱত** জিলা প্ৰশাসন আৰু জিলা আৰক্ষীৰ সহযোগত নেহৰুবালি খেলপথাৰত এই কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আৰক্ষী আৰু চৰকাৰী কৰ্মচাৰীসকলে এই কাৰ্যসূচীত অংশ লয়।

**শোণিতপুৰ** জিলাত আয়োজিত ৰাষ্ট্ৰীয় একতাৰ দৌৰ অনুষ্ঠানত বিধায়ক পৃথ্বীৰাজ ৰাভাৰ লগতে জিলাখনৰ আয়ুক্তই অংশগ্ৰহণ কৰে। একেদৰে **মৰিগাঁও, তামুলপুৰ,** চিৰাং, গোলাঘাট, যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়াতো জিলা প্ৰশাসনৰ উদ্যোগত একতাৰ দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

০০০০০

অহা ১৩ নৱেম্বৰত ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। আজি চামগুৰি সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ মন্ত্ৰী বিমল বৰাই প্ৰচাৰ চলায়। প্ৰচাৰ সভাত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে জনসাধাৰণৰ কল্যাণ আৰু উন্নয়নৰ স্বাৰ্থ আগত ৰাখি ভোটদান কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। ইফালে, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বঙাইগাঁৱত বিজেপি, অসম গণ পৰিষদ আৰু ইউ পি পি এলৰ কাৰ্যকৰ্তা সন্মিলন উদ্বোধন কৰি সমষ্টিটোৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰোৱাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ সকলোকে আহ্বান জনায়। বঙাইগাঁৱৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই আজি দলটোৰ বঙাইগাঁও কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰে। তেওঁ সমষ্টিটোৰ সকলো জনগোষ্ঠীৰ সমস্যাৰ সমাধান, জলসিঞ্চন, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, নিবনুৱা সমস্যা সমাধানকে ধৰি কেইবাটাও উন্নয়নমূলক লক্ষ্যৰে তেওঁক জয়ী কৰিবলৈ সমষ্টিবাসীৰ প্ৰতি আহ্বান জনায়।

ইপিনে, উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰা হয়। কালি মনোনয়ন পত্ৰ পৰীক্ষা কৰা অনুসৰি ধলাই সমষ্টিত ৯-গৰাকী, ছিদলী সমষ্টিত ৩গৰাকী, বঙাইগাঁও সমষ্টিত ৮গৰাকী, বিহালী সমষ্টিত ৪গৰাকী প্ৰাৰ্থীৰ ভিতৰত আটাইকেইগৰাকী প্ৰাৰ্থীৰেই মনোনয়ন গৃহীত হয়। ধলাই সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী অমিয় কান্তি দাসে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে।

চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা ১১গৰাকী প্ৰাৰ্থীৰ মনোনয়ন আজি বৈধ পোৱাৰ লগতে তিনিগৰাকীৰ মনোনয়ন নাকচ হৈছে। চামগুৰি সমষ্টিত নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এয়া নগাঁৱৰ পৰা আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া -

ভইছ কাষ্ট (মুনীন্দ্ৰ শইকীয়া)

উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম তাৰিখ অহা ৩০ অক্টোবৰ ধাৰ্য কৰা হৈছে।

ooooo

আহমেদাবাদত অনুষ্ঠিত ভাৰত আৰু নিউজিলেণ্ডৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ২৩৩ ৰাণৰ লক্ষ্য বান্ধি দিছে। টছত জিকি প্ৰথমে বেট ধৰি নিউজিলেণ্ডে ৪৯ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩২ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ব্ৰুক হেলিডেই ৮৬ ৰাণ আৰু জৰ্জিয়া প্লিমাৰে ৩৯ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ দিপ্তী শৰ্মাই তিনিটা আৰু প্ৰিয়া মিশ্ৰাই দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৭ অভাৰত এটা উইকেটত ৭২ ৰাণ কৰি খেলি আছে।

উল্লেখযোগ্য যে দুয়োটা দলে ইতিমধ্যে শৃংখলাৰ একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতীয় দলটো শৃংখলাৰ প্ৰথমখন খেলত জয়ী হোৱাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটোৱে বিজয় সাব্যস্ত কৰিছিল।

ooooo

মাজুলীৰ কমলাবাৰী আৰু নিমাতী পাৰঘাট সংযোগী ফেৰী সেৱা কাইলৈ পুৰা পুনৰ আৰম্ভ হ'ব। আজি সন্ধিয়াৰে পৰা টিকট ক্ৰয় প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। পৰিবহন মন্ত্ৰী কেশৱ মহন্তই আজি এই বিষয়ে প্ৰকাশ কৰি কয় যে ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস পোৱাৰ লগতে কমলাবাৰী পাৰঘাটৰ দিশত জলপথৰ কিছু অংশত নতুনকৈ পৰা বালিচৰৰ বাবে যোৱা ২০ অক্টোবৰৰ পৰা নিয়মীয়া ফেৰী সেৱা বন্ধ ৰাখিবলগীয়া হৈছিল। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহন বিভাগে কেন্দ্ৰীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সহযোগত ২৫

অক্টোবৰৰ পৰা খনন কাৰ্য চলাই  জলপথটো ফেৰী চলাচলৰ বাবে সুগম কৰি তুলিছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

সমাপ্ত